**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-05-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১।	অপাৰেছন সিন্দুৰৰ অধীনত সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ সামুহিক যুঁজখনৰ বিষয়ে বচা বচা দেশক জনাবৰ বাবে ৭ টা সৰ্বদলীয় প্ৰতিনিধি দলে সোনকালেই বিদেশলৈ ৰাওনা হ'ব।

২।	নৰেন্দ্ৰ মোদী চৰকাৰে বিগত দশকত বিভিন্ন আঁচনিৰ জৰিয়তে স্বাস্থ্য খণ্ডত অতুলনীয় প্ৰগতি সাধন কৰা বুলি গৃহ মন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৩।	বন্দৰ, জাহাজ পৰিবহণ তথা জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মুম্বাইৰ সামুদ্ৰিক খণ্ডত মহিলাৰ আন্তঃৰাষ্ট্ৰীয় দিৱস উদযাপন অনুষ্ঠান মুকলি কৰে।

৪।	ছিকিমত জৈৱিকভাৱে মাছ উৎপাদন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ পাছত ত্ৰিপুৰাতো এনে ব্যৱস্থা গঢ়াৰ বাবে পুঁজিৰ অনুমোদন জনোৱাৰ দিশে চৰকাৰ অগ্ৰসৰ হৈছে।

***আৰু***

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ এখন খেলত  গুজৰাট টাইটানছে টছত জিকি দেলহী কেপিটেলছক বেট ধৰিবলৈ আমন্ত্ৰণ জনাইছে।

ooooo

অপাৰেছন সিন্দুৰৰ অধীনত সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ সামুহিক যুঁজখন প্ৰতিফলিত কৰি এই বিষয়ে নিৰ্বাচিত কিছুসংখ্যক দেশক জনাবৰ বাবে ৭ টা সৰ্বদলীয় প্ৰতিনিধি দলে সোনকালেই বিদেশলৈ ৰাওনা হ'ব বুলি কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীৰিজিজুৱে এই সৰ্বদলীয় প্ৰতিনিধি দলত অন্তৰ্ভুক্ত সাংসদ আৰু অনান্যসকলৰ তালিকা প্ৰকাশ কৰে। ৫৯ গৰাকী সদস্যক লৈ গঠন কৰা এই সাতটা দলে ৩২ খন দেশ ভ্ৰমণ কৰিব। প্ৰতিটো দলতে এজনকৈ অৱসৰপ্ৰাপ্ত কূটনীতিবিদ আছে।

বিজেপিৰ সাংসদ বৈজয়ন্ত পাণ্ডাই নেতৃত্ব দিবলগীয়া প্ৰথমটো দলে চৌদি আৰব, বাহৰেইন, কোৱেইট আৰু আলজেৰিয়া ভ্ৰমণ কৰিব। এইটো গোটত বৰ্ষিয়ান ৰাজনৈতিক গুলাম নবী আজাদ, বিজেপিৰ সাংসদ নিশিকান্ত ডুবে আৰু এই আই এম আই এমৰ সাংসদ আছাদুদ্দিন অৱেইছিকো অন্তৰ্ভুক্ত কৰা হৈছে।

ব্ৰিটেইন, ফ্ৰান্স, জাৰ্মানী, ইউৰোপীয়ান ইউনিয়ন, ইটালী আৰু ডেনমাৰ্ক ভ্ৰমণলৈ যাবলগীয়া দ্বিতীয়টো দলক বিজেপিৰ সাংসদ ৰবিশংকৰ প্ৰসাদে নেতৃত্ব দিব। ইয়াত কংগ্ৰেছ সাংসদ ড০ অমৰ সিং, শিৱসেনা উদ্ধৱ গোটৰ সাংসদ প্ৰিয়ংকা চতুৰ্বেদী আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী এম জে আকবৰ অন্তৰ্ভুক্ত হৈছে।

জে দি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝাৰ নেতৃত্বত তৃতীয়টো দল ইন্দোনেছিয়া, মালয়েছিয়া, দক্ষিণ কোৰিয়া, জাপান আৰু ছিংগাপুৰলৈ যাব। অন্যান্য সকলৰ লগতে এই গোটত আছে তৃণমূল কংগ্ৰেছৰ ইউছুফ পাথান, চিপি আই এমৰ জন ব্ৰিটাছ আৰু কংগ্ৰেছ নেতা ছলমান খুৰছিদ।

চতুৰ্থটো গোটত শিৱসেনাৰ সাংসদ শ্ৰীকান্ত একনাথ সিন্দেই নেতৃত্ব দিব আৰু এইটো গোটে সংযুক্ত আৰব আমিৰশ্বাহী, লাইবেৰিয়া, কংগো, ছিয়েৰা লিয়ন ভ্ৰমণ কৰিব। বিজেপিৰ বাঁসুৰি স্বৰাজ, বিজেডিৰ সস্মিত পাত্ৰ, আই ইউ এম এলৰ সাংসদ, ই টি মহম্মদ বছিৰ আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী এছ এছ আহলুৱালিয়াক এই গোটত অন্তৰ্ভুক্ত কৰা হৈছে।

কংগ্ৰেছ সাংসদ শশী থাৰুৰৰ নেতৃত্বৰ পঞ্চমটো গোটত জে এম এমৰ সাংসদ ছাৰফৰাজ আহমদ, এল জে পিৰ সাংসদ সম্ভৱী, টিডিপিৰ সাংসদ জি এম হৰিশ বালাযোগী আৰু শিৱসেনাৰ সাংসদ মুৰলী দেওৰাক অন্তৰ্ভুক্ত কৰা হৈছে। এইটো গোটে আমেৰিকা যুক্তৰাষ্ট্ৰ, পানামা, গায়ানা, ব্ৰাজিল, আৰু কলম্বিয়া ভ্ৰমণ কৰিব।

ষষ্ঠটো গোটক ডি এম কেৰ সাংসদ কানিমোঝি কৰুণানিধিয়ে নেতৃত্ব দিব। নেচনেল কনফাৰেন্সৰ সাংসদ মিয়ান আলতাফ আহমেদ, সমাজবাদী পাৰ্টিৰ সাংসদ ৰাজীৱ ৰায় আৰু আৰ জে দিৰ সাংসদ প্ৰেমচান্দ গুপ্তাও অন্তৰ্ভুক্ত এই গোটে স্পেইন, গ্ৰীছ, শ্ল'ভেনিয়া, লাটভিয়া আৰু ৰাছিয়া ভ্ৰমণ কৰিব।

সপ্তম তথা অন্তিম গোটটোৰ নেতৃত্ব এন চি পিৰ শাৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া ছুলেক দিয়া হৈছে। এই গোটত আছে বিজেপিৰ ৰাজীৱ প্ৰতাপ ৰুডি, বিজেপিৰ অনুৰাগ সিং ঠাকুৰ, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ভি মুৰলীধৰণ আৰু কংগ্ৰেছ সাংসদ মনিশ তিৱাৰী। এইটো গোট ইজিপ্ত, কাটাৰ, ইথিওপিয়া আৰু দক্ষিণ আফ্ৰিকালৈ যাব।

ooooo

নৰেন্দ্ৰ মোদী চৰকাৰে বিগত দশকত বিভিন্ন আঁচনিৰ জৰিয়তে স্বাস্থ্য খণ্ডত অতুলনীয় প্ৰগতি সাধন কৰিছে। গুজৰাটৰ মেহচানা জিলাৰ গজাৰিয়াত কে কে পেটেল আৰু মধুবেন কে পেটেল নাৰ্ছিং কলেজৰ নৱ নিৰ্মিত ভৱন মুকলি কৰি গৃহ মন্ত্ৰী অমিত শ্বাহে আজি এই কথা প্ৰকাশ কৰে। এই মহাবিদ্যালয়ৰ জৰিয়তে সমীপৰ দৰিদ্ৰ ৰোগীসকল উপকৃত হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। দেশৰ ৬০ কোটি নাগৰিক আয়ুষ্মান ভাৰত আঁচনিৰ জৰিয়তে উপকৃত হোৱা বুলি উল্লেখ কৰি তেওঁ কয়, যে বিগত দশকত সৰ্ব ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ সংখ্যা ৭ৰ পৰা ২৩ খনলৈ বৃদ্ধি হৈছে। দুদিনীয়া কাৰ্য্যসূচীৰে গুজৰাট ভ্ৰমণ কৰা শ্ৰীশ্বাহে আহমেদাবাদ আৰু মেহচানাত কেইবাটাও অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

ooooo

সামুদ্ৰিক খণ্ডত মহিলা সৱলীকৰণৰ জৰিয়তে সমাজত লিংগ সমতা অক্ষুণ্ণ থকাৰ লগতে সামুদ্ৰিক খণ্ডৰ প্ৰগতি, স্থিতিস্থাপকতা তথা উদ্ভাৱনশীলতাও বৃদ্ধি হয়। বন্দৰ, জাহাজ পৰিবহণ তথা জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মুম্বাইৰ সামুদ্ৰিক খণ্ডত মহিলাৰ আন্তঃৰাষ্ট্ৰীয় দিৱস উদযাপন অনুষ্ঠান মুকলি কৰি এই কথা প্ৰকাশ কৰে। **সামুদ্ৰিক খণ্ডত মহিলা - বহন ক্ষমতা আৰু ৰূপান্তৰৰ কৰ্ণধাৰ** বিষয় সন্দৰ্ভত আয়োজিত এই

অনুষ্ঠানৰ জৰিয়তে সামুদ্ৰিক খণ্ডৰ প্ৰতিটো দিশতে মহিলাৰ অংশগ্ৰহণ ত্বৰান্বিত কৰাৰ লক্ষ্য লোৱা হৈছে। এই অনুষ্ঠানৰ জৰিয়তে সামুদ্ৰিক খণ্ডৰ বিভিন্ন দিশৰ বৃত্তিধাৰীসকলকে ধৰি বিভিন্ন প্ৰতিনিধিয়ে মত-বিনিময়ৰ সুযোগ লাভ কৰিছে। এই অনুষ্ঠানত বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংস্থা, শৈক্ষিক প্ৰতিষ্ঠান, বন্দৰ কৰ্তৃপক্ষ তথা জাহাজ পৰিবহণ প্ৰতিষ্ঠানৰ প্ৰতিনিধি, জ্যেষ্ঠ চৰকাৰী বিষয়াকে ধৰি বহু বিশিষ্ট লোকে অংশগ্ৰহণ কৰে।

ooooo

ছিকিমত কোনো ধৰণৰ ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ নকৰাকৈ জৈৱিকভাৱে মাছ উৎপাদন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ পাছতেই কেন্দ্ৰীয় মীন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে কয়, যে কেন্দ্ৰই অতি সোনকালে ত্ৰিপুৰাতো এনে ব্যৱস্থা গঢ়াৰ বাবে পুঁজিৰ অনুমোদন জনাব। আগৰতলাত ৰাজ্যৰ প্ৰথমটো সংহত একুৱা পাৰ্ক আৰু মৎস্য উৎসৱৰ আধাৰশিলা স্থাপন কৰি দিয়া ভাষণত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই একুৱা পাৰ্কৰ লক্ষ্য হৈছে আমদানিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰি ত্ৰিপুৰাক মাছ উৎপাদনত স্বাৱলম্বী কৰি তোলা। প্ৰায় ১০০ কোটি টকা ব্যয় সাপেক্ষ এই সংহত একুৱা পাৰ্ক, ত্ৰিপুৰাৰ উনাকুটি জিলাৰ বি চি নগৰত নিৰ্মাণ কৰা হ'ব। ইতিমধ্যে কেন্দ্ৰই এই প্ৰকল্পৰ বাবে ৪৩ কোটি টকাৰ অনুমোদন জনাইছে। ৫০০ একৰ মাটিৰ বিস্তৃত এলেকাত এই সংহত একুৱা পাৰ্ক নিৰ্মাণ কৰা হ'ব আৰু ইয়াৰ মূল লক্ষ্য হ'ব মাছৰ উৎপাদন বৃদ্ধি কৰা। কেন্দ্ৰীয় মীন মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে মাছ উৎপাদনৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ ভিতৰত দ্বিতীয় স্থানত আছে। ২০১৩-১৪ বৰ্ষত ভাৰতত মাছৰ উৎপাদন ৯৬ লাখ টন আছিল, কিন্তু যোৱা ১০ বছৰত এই সংখ্যা ১৮৪ লাখ টনলৈ বৃদ্ধি হৈছে। ২০৪৭ চনৰ ভিতৰত আত্ম-নিৰ্ভৰশীল ভাৰত গঢ়ি দেশখনক উন্নতিৰ পথত আগুৱাই নিয়াটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এটা অন্যতম দৃঢ় সংকল্প বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে।

ooooo

ভাৰতৰ বতৰ বিজ্ঞান বিভাগে চলিত মাহৰ ১৯ৰ পৰা ২৫ তাৰিখৰ ভিতৰত বিভিন্ন স্থানত মজলীয়াৰ পৰা ধাৰাষাৰ বৰষুণৰ সম্ভাৱনা থকা কোংকাণ আৰু মধ্য মহাৰাষ্ট্ৰৰ কাষৰীয়া উপকূলীয় অঞ্চলসমূহৰ বাবে অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ মতে, ২২ মে'ৰ আশে-পাশে কৰ্ণাটক উপকূলৰ পূব মধ্য আৰৱ সাগৰৰ ওপৰত নিম্ন চাপ হোৱাৰ সম্ভাৱনা আছে। উত্তৰ দিশলৈ এই নিম্ন চাপ ক্ৰমে তীব্ৰতৰ হৈ মহাৰাষ্ট্ৰৰ বতৰত যথেষ্ট পৰিৱৰ্তন হোৱাৰ সম্ভাৱনা আছে। মহাৰাষ্ট্ৰ উপকূলত বিশেষকৈ কোংকান আৰু গোৱাৰ সমীপত ধুমুহা বৰষুণৰ সম্ভাৱনা থকাৰ বাবে অহা ৫ দিনৰ বাবে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে মাছমৰীয়াসকলৰ বাবে সতৰ্কবাণী জাৰি কৰিছে।

ooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত কাইলৈ নিশা চাৰে ন বজাত **যক্ষ্মা ৰোগৰ প্ৰতিকাৰ তথা প্ৰতিৰোধ** সন্দৰ্ভত নতুন দিল্লীৰ চফদৰজং চিকিৎসালয়ৰ হাওফাওৰ ৰোগ বিভাগৰ মুৰব্বী চিকিৎসক ডাঃ ৰোহিত কুমাৰ আৰু সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ একে বিভাগৰ সহযোগী অধ্যাপক ডাঃ সৌৰভ মিট্টালৰ সৈতে হোৱা বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ 4444 নম্বৰত ফোন কৰি চিকিৎসককেইগৰাকীক বিষয়টো সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। আগ্ৰহীসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান

প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ এখন খেলত গুজৰাট টাইটানছে টছত জিকি দেলহী কেপিটেলছক বেট ধৰিবলৈ আহ্বান জনাইছে। খেলখন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

আনহাতে, ৰাজস্থানৰ চৱাই মানসিং ষ্টেডিয়ামত আজি অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আন এখন খেলত পাঞ্জাব কিংছে ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে ১০ ৰাণত জয়লাভ কৰে। খেলখনত পাঞ্জাৰ কিংছে টছত জিকি প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেটৰ বিনিময়ত ২১৯ ৰাণ সংগ্ৰহ কৰে। পাঞ্জাব কিংছৰ হৈ নেহাল ৱাধেৰাই সৰ্বাধিক ৭০ ৰাণ আৰু শশান্ত সিঙে ৫৯ ৰাণ কৰি অপৰাজিত হৈ ৰয়।

প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে নিৰ্ধাৰিত অভাৰত ৭টা উইকেট হেৰুৱাই ২০৯ ৰাণহে কৰিবলৈ সমৰ্থ হয়।

০০০০০

**সমাপ্ত**